# PM Greets President and People of Republic of Korea on the 70th Anniversary of the Outbreak of the Korean War

June 25, 2020

---

# প্ৰধানমন্ত্ৰীয়ে কোৰিয়া গণৰাজ্যৰ জনসাধাৰণ আৰু ৰাষ্ট্ৰপতিক কোৰিয়া যুদ্ধৰ 70তম বাৰ্ষিকী উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে।

জুন 25, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে 1950 চনত হোৱা কোৰিয়া যুদ্ধৰ 70 তম বাৰ্ষিকী উপলক্ষে কোৰিয়া উপদ্বীপত শান্তিৰ সন্ধানত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়।

দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত এই উপলক্ষে আয়োজিত স্মাৰক অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ এক ভিডিঅ বাৰ্তা প্ৰদৰ্শিত হয়। দক্ষিণ কোৰিয়াৰ দেশপ্ৰেম আৰু অৱসৰপ্ৰাপ্ত সামৰিক বিষয়ক মন্ত্ৰণালয়ৰ দ্বাৰা এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল আৰু সভাপতিত্ব কৰিছিল কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি শ্ৰী মুন জা-ইনে। প্ৰধানমন্ত্ৰী মোডীয়ে তেখেতৰ বাৰ্তাত কোৰিয়াৰ যুদ্ধত ভাৰতৰ অৱদানৰ কথা স্মৰণ কৰি 60 পাৰা ফিল্ড হস্পাতালৰ কথা উল্লেখ কৰে। যুদ্ধৰ সময়ছোৱাত হস্পাতালখনে চিকিৎসাৰ মাধ্যমেৰে সেৱা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল আৰু সেনা আৰু সাধাৰণ নাগৰিক উভয়কে প্ৰয়োজনীয় চিকিৎসা সাহাৰ্য প্ৰদান কৰিছিল। প্ৰধানমন্ত্ৰীয়ে কোৰিয়া জনসাধাৰণক তেওঁলোকৰ ধৈৰ্য, কঠোৰ পৰিশ্ৰম আৰু শান্তিৰ প্ৰতি থকা সদিচ্ছাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে আৰু কোৰিয়া উপদ্বীপত শান্তি আৰু স্থিতিশীলতা ৰক্ষাৰ কাৰণে কোৰিয়াৰ চৰকাৰৰ প্ৰচেষ্টাৰো প্ৰশংসা কৰে। তেখেতে ভাৰত চৰকাৰ তথা ভাৰতৰ জনসাধাৰণৰ তৰফৰ পৰা স্থায়ী শান্তি স্থাপনৰ প্ৰতিও শুভ কামনা জ্ঞাপন কৰে।

ৰাষ্ট্ৰপতি মুনৰ উপৰিও কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষাৰ মন্ত্ৰী, অন্যান্য দপ্তৰৰ মন্ত্ৰী, যুদ্ধৰ সময়ত দক্ষিণ কোৰিয়াক সহায় কৰা দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু কোৰিয়াৰ বিশিষ্ট ব্যক্তিসকল এই অনুষ্ঠানত উপস্থিত আছিল।

**নতুন দিল্লী**
**জুন 25, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.